নং ঃ ৮০৩/২০২০

# মাজুলীৰ কমলাবাৰীত অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট পেভেলিয়ন আৰু খেলপথাৰৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসম ক্ৰিকেট সন্থাৰ এই প্ৰকল্পই দ্বীপ জিলা মাজুলীক ভাৰবৰ্ষৰ ক্ৰিকেট মানচিত্ৰত এক উপযুক্ত পৰিচিতি প্ৰদান কৰিব ঃ মুখ্যমন্ত্ৰী

## মাজুলীৰ শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ স্থায়ী তোৰণৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

**দিছপুৰ, ৩০ নৱেম্বৰ ঃ** দ্বীপ জিলা মাজুলীৰ ক্ৰীড়া আন্তঃগাঁথনিৰ বিকাশৰ ক্ষেত্ৰত এক নতুন মাত্ৰা প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলীৰ কমলাবাৰীস্থিত মাজুলী ক্ৰীড়া ক্ষেত্ৰত অসম ক্ৰিকেট সন্থাৰ দ্বাৰা নিৰ্মাণ হ'বলগীয়া এটা ক্ৰিকেট পেভিলিয়ন আৰু এখন আছুতীয়া ক্ৰিকেট খেলপথাৰৰ আধাৰশিলা স্থাপন কৰে।

এই উপলক্ষে আয়োজিত এক অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰাকৃতিক সৌন্দৰ্যৰ ৰম্যভূমি এই নদী দ্বীপটোক ভাৰতবৰ্ষৰ ক্ৰিকেট মানচিত্ৰত স্থান দিয়াৰ বাবে অসম ক্ৰিকেট সন্থাই আজি এক মহৎ পদক্ষেপ হাতত ল'লে। নিৰ্মাণ হ'বলগীয়া এই ক্ৰিকেট খেলপথাৰ আৰু পেভিলিয়নে মাজুলীৰ উদীয়মান ক্ৰীড়া প্ৰতিভাসমূহক নিজৰ ক্ৰীড়া শৈলীৰ উৎকৰ্ষ সাধনৰ জৰিয়তে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰি মাজুলীৰ গৌৰৱ বৃদ্ধি কৰাত সহায় কৰিব। ভৱিষ্যতে এই খেলপথাৰত আন্তঃজিলা আৰু আন্তঃৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ জৰিয়তে মাজুলীৰ পৰ্যটন ক্ষেত্ৰৰ বিকাশৰ বাবেও সহায়ক হ'ব বুলি তেওঁ মন্তব্য কৰে। সুন্দৰ জলবায়ু আৰু নিৰ্মল প্ৰাকৃতিক পৰিৱেশে মাজুলীৰ মানুহক স্বাভাৱিকভাৱেই শাৰীৰিক আৰু আধ্যাত্মিকভাৱে সবল কৰি ৰাখিছে বুলি উল্লেখ কৰি জিলাখনৰ চুকে-কোণে থকা প্ৰতিভাসমূহক আত্মবিকাশৰ এখন উপযুক্ত মঞ্চ এই খেলপথাৰে প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

অনুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰি অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্তই আজি আধাৰশিলা স্থাপন হোৱা এই ক্ৰিকেট পেভেলিয়ন আৰু খেলপথাৰে মাজুলীৰ ক্ৰীড়া ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বলিষ্ঠ নেতৃত্বত অসমৰ ক্ৰীড়া ক্ষেত্ৰই বিগত সময়ছোৱাত বিকাশৰ এক নতুন উচ্চতাত আৰোহণ কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰি অসম ক্ৰিকেট সন্থাৰ প্ৰতিষ্ঠা দিৱসৰ এই পৱিত্ৰ দিনটোতে মাজুলীত এই ক্ৰিকেট খেলপথাৰ নিৰ্মাণৰ শুভাৰম্ভণি কৰাৰ বাবে মুখ্যমন্ত্ৰীক তেওঁ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

আজিৰ অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, মাজুলী জিলা পৰিষদৰ সভাপতি পাপু দত্ত হাজৰিকা, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, অসম ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিৎ শইকীয়া, উপ-সভাপতি পৰীক্ষিত দত্ত, যুটীয়া সম্পাদক তথা প্ৰাক্তন ৰঞ্জী খেলুৱৈ কামাখ্যা শইকীয়া, লৰ কোঁৱৰ আৰু মাজুলী জিলা ক্ৰীড়া সন্থাৰ সভাপতি জীতেন ডেকাকে ধৰি অসম ক্ৰিকেট সন্থাৰ বহুকেইগৰাকী বিষয়ববীয়া তথা মাজুলীৰ ক্ৰীড়া ক্ষেত্ৰৰ লগত জড়িত বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

এই অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পুৱা মাজুলীৰ কমলাবাৰীস্থিত শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ স্থায়ী তোৰণৰ আধাৰশিলাও স্থাপন কৰে।

এই অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, সত্ৰাধিকাৰ জনাৰ্দ্দন দেৱ গোস্বামী, জিলা উপায়ুক্ত বিক্ৰম কৈৰীৰ লগতে সত্ৰখনৰ বহুসংখ্যক ভকত-বৈষ্ণৱ আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**

**৩০/১১/২০২০**